# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## **HEADLINES**

১। সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা ২০ জুলাইত আৰম্ভ হ'ব।
২। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে ইথানল এটা নতুন অৱধাৰণা নহয় বৰং শতিকা শতিকা ধৰি ইয়াৰ ব্যৱহাৰ হৈ আহিছে বুলি প্ৰকাশ কৰিছে।
৩। চৰকাৰে মূল্য সুস্থিৰতা মজুত ভঁৰালৰ বাবে পিয়াজৰ ক্ৰয়মূল্য ১৩ শতাংশ বৃদ্ধি কৰিছে।
৪। ইংলেণ্ডে যোৱানিশা মানচেষ্টাৰত অনুষ্ঠিত ৫ খনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক ৪ উইকেটত পৰাস্ত কৰে।

*আৰু*

৫। ফ্ৰান্স আৰু মৰক্কোৱে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

সংসদৰ বৰ্ষাকালীন অধিৱেশন অহা ২০ জুলাইত আৰম্ভ হ'ব আৰু ১৩ আগষ্টত সামৰণি পৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০ জুলাইৰ পৰা সংসদৰ বৰ্ষাকালীন অধিৱেশন অনুষ্ঠিত কৰাৰ বাবে চৰকাৰে দিয়া প্ৰস্তাৱত অনুমোদন জনোৱা বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। শ্ৰীৰিজিজুৱে সামাজিক মাধ্যম যোগে কয়, যে এই অধিৱেশনত ৰাষ্ট্ৰীয় গুৰুত্বৰ  বিষয়বোৰক লৈ অৰ্থৱহ বিতৰ্ক আলোচনা আৰু সিদ্ধান্ত গ্ৰহণত গুৰুত্ব আৰোপ কৰা হ'ব।

ooooo

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে ইথানল এটা নতুন অৱধাৰণা নহয় বৰং শতিকা শতিকা ধৰি ইয়াৰ ব্যৱহাৰ হৈ আহিছে বুলি প্ৰকাশ কৰিছে। ৰাজস্থানত কালি এটা সমাৱেশত ভাষণ দি শ্ৰীপুৰীয়ে কয়, যে চৰকাৰে ইয়াৰ জৈৱ ইন্ধন মিহলি কাৰ্যসূচীৰ গঠনমূলক সমালোচনাৰ প্ৰতি আদৰণি জনায়। তেওঁ লগতে চৰকাৰে পৰামৰ্শ অনুযায়ী এই কাৰ্যসূচীত প্ৰয়োজনীয় শুধৰণি কৰিব বুলি আশ্বাস দিয়ে। শ্ৰীপুৰীয়ে লগতে কয়, যে দেশত ইথানল মিহলিৰ অৱধাৰণা সৰ্বপ্ৰথম পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত আৰম্ভ হৈছিল। ২০০৬ৰ পৰা ২০০৮ চনৰ ভিতৰত ব্ৰাজিলত ভাৰতৰ ৰাষ্ট্ৰদূত হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়ছোৱাৰ কথা স্মৰণ কৰি শ্ৰীপুৰীয়ে কয়, যে সেই সময়ত ১০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৫ শতাংশ ইথানল মিহলি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল যদিও কেৱল ১ দশমিক ৪ শতাংশ মিহলিহে সম্ভৱ হৈ উঠিছিল।

*-বাইট-*

০০০০০

চৰকাৰে মূল্য সুস্থিৰতা মজুত ভঁৰালৰ বাবে পিয়াজৰ ক্ৰয়মূল্য ১৩ শতাংশ বৃদ্ধি কৰিছে। এই অনুসাৰে পিয়াজৰ ক্ৰয় মূল্য প্ৰতি কুইণ্টলত এহেজাৰ ৮৭৫ টকাৰ পৰা দুহেজাৰ ১২৫ টকাকৈ বৃদ্ধি পাইছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই সংশোধিত ক্ৰয় মূল্যই পিয়াজৰ খেতিয়কসকলক লাভান্বিত কৰিব আৰু মজুত ভঁৰালৰ বাবে ক্ৰয় প্ৰক্ৰিয়া ত্বৰান্বিত কৰাত সহায় কৰিব। দেশৰ মজুত ভঁৰালৰ বাবে ভাৰতীয় ৰাষ্ট্ৰীয় কৃষি সমবায় বিপণন সংঘ লিমিটেড আৰু ভাৰতীয় ৰাষ্ট্ৰীয় সমবায় উপভোক্তা সংঘ লিমিটেডৰ মাধ্যমেৰে পিয়াজ ক্ৰয় কৰা হৈছে।

কৃষি আৰু কৃষক কল্যাণ বিভাগে ২০২৫-২৬ বৰ্ষৰ বাবে কৰা দ্বিতীয় অগ্ৰীম পূৰ্বানুমান অনুসৰি দেশত এইবাৰ ৩০৭ লাখ মেট্ৰিক টনৰো অধিক পিয়াজ উৎপাদন হোৱাৰ সম্ভাৱনা আছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ আৰু গুজৰাটত পৰ্যাপ্ত মাত্ৰাত পিয়াজ মজুত আছে আৰু সম্প্ৰতি পিয়াজৰ ভৰালত কোনো ধৰণৰ নাটনি দেখা দিয়া নাই। দেশত পিয়াজৰ গড় খুচুৰা মূল্য প্ৰতি কিলোগ্ৰামত ৩১ টকা হৈছে। পিয়াজৰ ৰপ্তানিও স্বাভাৱিক হৈ আছে। যোৱা জুনত প্ৰায় ডেৰ লাখ মেট্ৰিক টন পিয়াজ ৰপ্তানি কৰা হৈছিল।

০০০০০

অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনি এলবানিজে গুৰুত্বপূৰ্ণ অৰ্থনৈতিক সহযোগি হিচাপে ভাৰতক ভূয়সী প্ৰশংসা কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আসন্ন অষ্ট্ৰেলিয়া ভ্ৰমণৰ পূৰ্বে দেশখনৰ প্ৰধানমন্ত্ৰী কাৰ্যালয়ে এটা বিবৃতি যোগে কয়, যে বিশ্বৰ চতুৰ্থ সৰ্ববৃহৎ আৰু সবাতোকৈ দ্ৰুত বিকাশশীল অৰ্থব্যৱস্থা ভাৰত অষ্ট্ৰেলিয়াৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক অংশীদাৰ। শ্ৰীএলবানিজে কয়, যে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক কৌশলগত সহযোগিতাৰ দ্বাৰা পৰিচালিত আৰু অৰ্থনৈতিক তথা সাংস্কৃতিক যোগাযোগ এই সম্পৰ্কৰ মূল ভেঁটি স্বৰূপ। তেওঁ কয়, যে বাণিজ্য, প্ৰতিৰক্ষা, সুৰক্ষা আৰু প্ৰযুক্তি ক্ষেত্ৰৰ সহযোগিতাৰ পৰা দুয়োখন দেশ উপকৃত হৈছে। অষ্ট্ৰেলিয়া ভাৰতৰ সম্পৰ্ক ইয়াৰ পূৰ্বে কেতিয়াও ইমান সুদৃঢ় নাছিল আৰু দুয়ো দেশৰ মাজৰ এই সহযোগিতাই ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ শান্তি, সুস্থিৰতা আৰু সমৃদ্ধি নিশ্চিত কৰিছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজিৰে পৰা ১০ জুলাইলৈ চৰকাৰী কাৰ্যসূচীৰে কাটাৰ, বাহৰেইন, কুৱেইট আৰু ওমান ভ্ৰমণ কৰিব। ভ্ৰমণৰ সময়ছোৱাত ড° জয়শংকৰে দেশ কেইখনৰ বিদেশ মন্ত্ৰীৰ লগতে অন্যান্য নেতৃবৃন্দৰ সৈতে মিলিত হ'ব। তেওঁৰ এই ভ্ৰমণে দেশ কেইখনৰ সৈতে ভাৰতৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক উন্নীত কৰাৰ লগতে আঞ্চলিক বিকাশ আৰু অন্যান্য পাৰস্পৰিক গুৰুত্ব সম্পন্ন বিষয়সমূহ সম্পৰ্কে মত বিনিময় কৰাৰ সুযোগ দিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে ওমান ভ্ৰমণৰ পাছত ১৩ জুলাইত নিউয়ৰ্কলৈ যাব। তাত তেওঁ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰতৰ ২০২৮-২৯ বৰ্ষৰ কাৰ্যকালৰ বাবে প্ৰচাৰ আনুষ্ঠানিকভাৱে মুকলি কৰিব। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে তৃতীয় ভাৰত-ইউৰোপীয় সংঘ বাণিজ্য আৰু প্ৰযুক্তি পৰিষদৰ বৈঠকত অংশগ্ৰহণ কৰিব। ১৪ আৰু ১৫ জুলাইত ব্ৰুচেলচত হ'বলগীয়া এই বৈঠকৰ সময়ত ড° জয়শংকৰে ইউৰোপীয় সংঘ আৰু বেলজিয়ামৰ বিদেশ মন্ত্ৰীৰ সৈতেও মত বিনিময় কৰিব।

০০০০০

নাগালেণ্ডৰ মুখ্যমন্ত্ৰী নেফিউ ৰিঅ'ই কালি চুম'কেডিমাত অনুষ্ঠিত কৃষি প্ৰদৰ্শনীত মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰ পৰা ৩৫ খন ট্ৰেক্টৰ আৰু ৬ খন কৃষি কাৰ্যত ব্যৱহৃত আন বাহন বিতৰণ কৰে। নাগালেণ্ডৰ মুঠ জনসংখ্যাৰ ৭০ শতাংশ লোকেই কৃষিকাৰ্যত জড়িত বুলি উল্লেখ কৰি শ্ৰীৰিঅ'ই কয়, যে কৃষিয়েই হৈছে ৰাজ্যখনৰ অৰ্থনীতিৰ ৰাজহাড় স্বৰূপ। ৰাজ্যখনৰ ভূমি অতি সাৰুৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কৃষকসকলক খেতি পথাৰত আধুনিক কৃষি কাৰ্য ব্যৱহাৰ কৰি উৎপাদন আৰু জীৱিকা বৃদ্ধি কৰিবলৈ আহ্বান জনায়। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বিষয়ে উল্লেখ কৰি শ্ৰীৰিঅ'ই কয়, যে চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰি বিকাশ ত্বৰান্বিত কৰাৰ লগতে উদ্যমী আৰু ব্যৱসায়ীসকলকো সহায় কৰাৰ উদ্দেশ্যে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ সামগ্ৰিক বিকাশৰ বাবে প্ৰতিগৰাকী লোকৰ সমৃদ্ধিৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে।

০০০০০

মিজোৰামৰ মুখ্য নিৰ্বাচনী বিষয়া গৰিমা গুপ্তাই ৰাজ্যখনৰ ভোটাৰ তালিকাত কোনো বিদেশী লোকৰ নাম অন্তৰ্ভুক্ত হোৱা নাই বুলি প্ৰকাশ কৰিছে। ৪০টা বিধানসভা সমষ্টিৰ বাবে মাহজোৰা বিশেষ পুনৰীক্ষণৰ অন্তত ২০২৬ বৰ্ষৰ বাবে প্ৰকাশ কৰা খচৰা ভোটাৰ তালিকাৰৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহ খণ্ডন কৰি তেওঁ এইদৰে কয়। শেহতীয়াকৈ মিজোৰামৰ ছাত্ৰ সন্থা মিজো জিৰলাই পল MZPয়ে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীৰ ওচৰত দুটা দশকতকৈও অধিক কাল ৰাজ্যখনৰ দক্ষিণ অঞ্চলৰ ছাকমা জনবসতি প্ৰধান এলেকাসমূহত ১২১ শতাংশলৈকে ভোটাৰৰ সংখ্যা বৃদ্ধি পোৱা বুলি অভিযোগ দাখিল কৰিছিল। সংস্থাটোৱে এনে অঞ্চলসমূহত ভোটাৰৰ সত্যাসত্য কঠোৰভাৱে নিৰূপণ কৰিবলৈ আৰু ভোটাৰ তালিকাৰ পৰা সন্দেহজনক বিদেশীৰ নাম প্ৰত্যাহ্বাৰ কৰিবলৈ দাবী জনায়।

০০০০০

ইংলেণ্ডে যোৱানিশা মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফৰ্ডত অনুষ্ঠিত ৫ খনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতক ৪ উইকেটত পৰাস্ত কৰে। খেলখনত ইংলেণ্ডে ১৯১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত ৬টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৯০ ৰান কৰে। জেক'ব বেথেলক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়। ভাৰত আৰু ইংলেণ্ডৰ মাজত নটিংহামত মঙলবাৰে শৃংখলাৰ তৃতীয়খন খেল অনুষ্ঠিত হ'ব।

ইয়াৰ আগেয়ে বৈভৱ সূৰ্যবংশীয়ে ভাৰতৰ হকে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অংশগ্ৰহণ কৰা কণিষ্ঠতম খেলুৱৈ হিচাপে ইতিহাস ৰচনা কৰে। বৈভক সূৰ্যবংশীয়ে ১৫ বছৰ আৰু ৯৯ দিন বয়সত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অভিষেক কৰে আৰু শচীন তেণ্ডুলকাৰৰ পুৰণি অভিলেখ ভংগ কৰে। তেণ্ডুলকাৰে ১৬ বছৰ আৰু ২০৫ দিন বয়সত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত অভিষেক কৰিছিল।

০০০০০

ফ্ৰান্স আৰু মৰক্কোৱে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফ্ৰান্সে যোৱানিশা ফিলাডেলফিয়াত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত পাৰাগুৱেক ১-০ গ'লত পৰাস্ত কৰে। অধিনায়ক কিলিয়ন বাপ্পে খেলৰ ৭০ মিনিটত পেনাল্টিৰ সহায়ত ফ্ৰান্সৰ হৈ বিজয়সূচক গ'লটো দিয়ে। ফ্ৰান্স কোৱাৰ্টাৰ ফাইনেলত মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইয়াৰ পূৰ্বে মৰক্কোই হিউষ্টনত অনুষ্ঠিত প্ৰথমখন প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কানাডাক সহজে ৩-০ গ'লত পৰাভূত কৰে। মৰক্কোৰ অজিডিনে উনাহিয়ে সুন্দৰ খেল প্ৰদৰ্শন কৰি দ্বিতায়াৰ্ধত দুটা গ'ল দিয়ে। ছফিয়ান ৰহিমীয়ে খেলৰ অন্তিম সময়ত গ'ল দি মৰক্কোৰ জয় নিশ্চিত কৰে।

ooooo

আই চি চি মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত লৰ্ডছত আজি ইংলেণ্ড অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দুয়োটা দলেই প্ৰতিযোগিতাৰ এখনো খেলত পৰাজিত নোহোৱাকৈ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত অষ্ট্ৰেলিয়াই ৱেষ্ট ইণ্ডিজক আৰু ইংলেণ্ডে দক্ষিণ আফ্ৰিকাক পৰাস্ত কৰি ফাইনেললৈ অগ্ৰসৰ হয়।

ooooo

**সমাপ্ত**